# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে দ্বিতীয় দিনাৰ বাবে সৰ্বভাৰতীয় বাৰ্ষিক আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকৰ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। মহাৰাষ্ট্ৰৰ নৱ নিৰ্বাচিত মহাযুটি চৰকাৰৰ শপতগ্ৰহণ সমাৰোহ অহা ৫ ডিচেম্বৰত মুম্বাইৰ আজাদ মৈদানত অনুষ্ঠিত হ'ব।

৩। নাগালেণ্ডৰ বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হ'ব।

৪। বিশ্ব এইডছ দিৱস উপলক্ষে আজি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে মধ্যপ্ৰদেশৰ ইণ্ডোৰত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে।

*আৰু*

৫। লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে দ্বিতীয় দিনাৰ বাবে সৰ্বভাৰতীয় বাৰ্ষিক আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকৰ সন্মিলনত অংশগ্ৰহণ কৰিব। ওড়িশাৰ ভূবনেশ্বৰত তিনি দিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনৰ আজি অন্তিম দিন। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভাল আৰু কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে প্ৰধানমন্ত্ৰীৰ সৈতে দেশৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ জড়িত বিভিন্ন বিষয়ে আলোচনা কৰিব। আভ্যন্তৰীণ সুৰক্ষা, নতুন অপৰাধ আইন, উপকূলীয় সুৰক্ষা, চাইবাৰ অপৰাধ, কৃত্ৰিম বুদ্ধিমত্তা আদি বিষয়ৰ ওপৰত আজিৰ কাৰ্যসূচীত আলোচনা কৰা হ'ব।

ooooo

মহাৰাষ্ট্ৰৰ নৱ নিৰ্বাচিত মহাযুটি চৰকাৰৰ শপতগ্ৰহণ সমাৰোহ অহা ৫ ডিচেম্বৰত মুম্বাইৰ আজাদ মৈদানত অনুষ্ঠিত হ'ব। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত মহাৰাষ্ট্ৰৰ বিজেপিৰ অধ্যক্ষ চন্দ্ৰশেখৰ বাৱানকুলেই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই অনুষ্ঠানত উপস্থিত থাকিব। মহাযুটি মিত্ৰজোঁটত বিজেপি, শিৱসেনা সিন্দে গোট আৰু অজিত পাৱাৰৰ ৰাষ্ট্ৰবাদী কংগ্ৰেছ পাৰ্টী- এন চি পিয়ে অলপতে অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ২৮৮ খন আসনৰ ভিতৰত ২৩০ খন দখল কৰিছে। ভাৰতীয় জনতা পাৰ্টীয়ে ১৩২ খন আসনসহ আটাইতকৈ বৃহৎ দল হিচাপে

পৰিগণিত হোৱাৰ বিপৰীতে একনাথ সিন্দেৰ নেতৃত্বৰ শিৱসেনাই ৫৭ আৰু অজিত পাৱাৰৰ নেতৃত্বৰ এন চি পিয়ে ৪১ খন আসন লাভ কৰে।

০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডে আজি ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিব। ১৯৬৩ চনৰ আজিৰ দিনটোতে নাগালেণ্ড ভাৰতৰ ১৬ নম্বৰ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছিল। এই ঐতিহাসিক দিনটোক স্মৰণ কৰি ৰাজ্যখনত ধাৰাবাহিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। নাগালেণ্ডৰ ৰাজধানী চহৰ ক'হিমাৰ অসামৰিক সচিবালয় প্লাজাত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই ভাষণ দি ৰাজ্যখনৰ বিগত ছয় দশকৰ যাত্ৰাৰ ওপৰত চিন্তা-চৰ্চা কৰিব। নাগালেণ্ডৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ শাসন ব্যৱস্থা আৰু শিক্ষাৰ উন্নতিৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব। শিক্ষকৰ উপস্থিতি নিৰীক্ষণ ব্যৱস্থাৰ বাবে স্মাইল এপ মুকলি কৰা ইয়াৰে অন্যতম দিশ হ'ব। ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিশেষ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। নাগালেণ্ডৰ ৰাজ্যপালন লা গণেশনে ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে নাগালেণ্ডবাসীক শুভেচ্ছা জনায়।

০০০০০

নাগালেণ্ডৰ বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হ'ব। এইবাৰ এই মহোৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰা হ'ব। এইবাৰৰ মহোৎসৱত নাগালেণ্ড চৰকাৰৰ সৈতে বেলছ, জাপান, পেৰু আৰু আমেৰিকাই সহযোগ আগবঢ়াইছে। আনহাতে ছিকিম আৰু তেলেংগানায়ো এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। ১০ দিনীয়া এই উৎসৱ হৈছে নাগা সম্প্ৰদায়ৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ উৎসৱ।

উল্লেখযোগ্য যে নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত্বত অৱস্থিত নাগা হেৰিটেজ কিছামাত -**উৎসৱৰ উৎসৱ** হিচাপে অভিহিত হৰ্ণবিল মহোৎসৱৰ আয়োজন কৰা হৈছে। আজি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত অংশীদাৰী ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হ'ব। আজিৰ অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমান উপস্থিত থাকিব।

০০০০০

আজি বিশ্ব এইডছ্ দিৱস। Acquired Immuno Deficiency Syndrome ৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে আজিৰ দিনটোত এইডছ্ দিৱস পালন কৰা হয়। এই দিনটোৱে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ্ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে।

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি মধ্যপ্ৰদেশৰ ইণ্ডোৰত বিশ্ব এইডছ্ দিৱস ২০২৪ৰ কাৰ্যসূচী মুকলি কৰিব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ এই অনুষ্ঠানত সন্মানিত অতিথি হিচাপে উপস্থিত থাকিব। এইবাৰৰ এইডছ্ দিৱসত সজাগতা বৃদ্ধি, চিকিৎসা পদ্ধতি প্ৰসাৰ আৰু এইডছত আক্ৰান্তসকলৰ বিৰুদ্ধে বৈষম্য দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। এইবাৰৰ এইডছ্ দিৱসৰ মূল বিষয়বস্তু হ'ল **শুদ্ধ পথ গ্ৰহণ কৰক**।

আমাৰ সংবাদদাতাই জনাইছে যে ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰন সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ্ দিৱস পালন কৰি আহিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৱেষক ড০ পৃথীন্দ্ৰ মুখাৰ্জীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ড০ মুখাৰ্জী এগৰাকী বহুমুখী ব্যক্তিত্বৰ অধিকাৰী আছিল যিয়ে বৌদ্ধিক জগতখনলৈ শক্তিশালী চিহ্ন এৰি গৈছে। শ্ৰী মোদীয়ে কয়, যে তেওঁৰ ৰচনা শৈলী আৰু কাৰ্যই ভৱিষ্যতো প্ৰশংসনীয় হৈ ৰ'ব।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি উত্তৰ প্ৰদেশৰ কানপুৰ ভ্ৰমণ কৰি জয়পুৰীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ উপৰি উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড়ে আই আই টি কানপুৰতো এটা অনুষ্ঠানত অংশ ল'ব। উপ-ৰাষ্ট্ৰপতিৰ আগমনকলৈ ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০

কাৰাইকাল আৰু মহাবলীপুৰমৰ মাজত যোৱা নিশা তামিলনাডু আৰু পুডুচেৰী উপকূলৰ সমীপত সৃষ্টি হোৱা সাগৰীয় ঘূৰ্ণীবতাহ ফেংগাল স্থলভাগত প্ৰৱেশ কৰে। নিশা চাৰে ১০ বজাৰ পৰা চাৰে ১১ বজাৰ মাজৰ সময়চোৱাত উত্তৰ তামিলনাডু আৰু পুডুচেৰী উপকূল অতিক্ৰম কৰি ফেংগালে প্ৰতি ঘণ্টাত ৭০ৰ পৰা ৮০ কিলোমিটাৰ বেগেৰে পাৰ হৈ যায়। ধুমুহাজাকে পশ্চিম-দক্ষিণ-পশ্চিম দিশলৈ গতি কৰাৰ সম্ভাৱনা আছে। ঘূৰ্ণীবতাহজাকৰ ফলত উত্তৰ তামিলনাডু আৰু চুবুৰীয়া পুডুচেৰীত প্ৰচণ্ড বৰষুণ হৈছে। বৰষুণৰ ফলত বাছ, ৰে'ল আৰু বিমান সেৱাকে ধৰি ৰাজহুৱা পৰিবহণত প্ৰভাৱ পৰিছে। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে তামিলনাডু, দক্ষিণ অন্ধ্ৰপ্ৰদেশ, কেৰালা আৰু কৰ্ণাটকৰ কেইবাটাও অঞ্চলত ৰেড এলাৰ্ট জাৰি কৰিছে।

০০০০০

লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেল মেচখন আজি বিয়লি খলোৱা হ'ব।

প্ৰতিযোগিতাখনৰ মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত সিন্ধুৱে উন্নতি হুদাক ২১-১২ আৰু ২১-৯ৰ পোনপটীয়া ছেটত পৰাস্ত কৰে। ফাইনেলনত খেলুৱৈগৰাকীয়ে চীনৰ য়ু লু ইউৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ ফাইনেলত ছিংগাপুৰৰ জিয়া হেং জেছন টেহৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সেনে কালি জাপানৰ শ্বোগো ওগাৱাক ২১-৮, ২১-১৪ ফলাফলত পৰাস্ত কৰে।

প্ৰতিযোগিতাখনৰ মিক্সড ডাবলছত ধ্ৰুৱ কাপিলা আৰু টানিছা ক্ৰাষ্টোৰ যুটীটোৱে চীনৰ ঝু ঝি হং আৰু য়াং জিয়া ইৰ যুটীটোক ২১-১৬, ২১-১৫ ফলাফলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁলোকে খিতাপ

জয়ৰ বাবে থাইলেণ্ডৰ ডুঅ' ডেছাপল পোৱাৰাৱানুক্ৰহ আৰু ছাপিচ্ছাৰা পেৰছাম্প্ৰাণৰ বিৰুদ্ধে ফাইনেল মেচত অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতৰ পুৰুষৰ জুনিয়ৰ হকী দলটোৱে কালি ওমানৰ মাছক'তত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল এৰ এখন খেলত চীনা টাইপেক ১৬-০ ফলাফলত পৰাস্ত কৰে। খেলখনত দিলৰাজ সিঙে ৪টা গল দিয়াৰ বিপৰীতে ৰৌচন কুজুৰে তিনিটা গল দিয়ে। খেলখনৰ মধ্যান্তৰলৈ ১৭ মিনিটত দিলৰাজ সিঙে, ২০ আৰু ২৮ মিনিটত সৌৰভ আনন্দ কুছৱা আৰু ২৩ মিনিটত ৰৌচন কুজুৰে এটাকৈ গল দিয়ে। এই জয়ৰ সুবাদত ভাৰতে ৯ পইণ্টসহ পুল এত শীৰ্ষ স্থান দখল কৰিছে। ভাৰতে আজি কোৰিয়াৰ বিৰুদ্ধে পৰৱৰ্তী খেলখনত অৱতীৰ্ণ হ'ব।

০০০০০

কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰে আমেৰিকাত মৃত্যু হোৱা ভাৰতীয় ছাত্ৰ নুকাৰপু ছাই তেজাৰ হত্যাকাণ্ডক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যৰ এটা পোষ্টত ড০ জয়শংকৰে কয়, যে ছিকাগোত থকা পৰিয়ালটোক সহায় কৰাৰ লগতে দোষীৰ বিৰুদ্ধে শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০

**সমাপ্ত**